ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

# ভাৰতীয় মনীষাত কৃষ্ণ আৰু জ্যোতিপ্ৰসাদৰ সংস্কৃতি চেতনা

— মনোৰঞ্জন বৰদলৈ
সহকাৰী অধ্যাপক
ঢকুৱাখনা মহাবিদ্যালয়
ই-মেইল্ ঃ manoranjanbordoloi48@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

পৃথিৱীৰ প্ৰাচীনতম ধৰ্মৰ অন্যতম হিন্দু ধৰ্ম। এই ধৰ্মৰ হোতাস্বৰূপ বৈষ্ণৱ শাখাৰ উপাস্য দেৱপুৰুষ হৈছে বিষ্ণু। পৰমব্ৰহ্মস্বৰূপ বৈদিক দেৱতা বিষ্ণু, নাৰায়ণতত্ত্বৰ নাৰায়ণ আৰু পৰৱৰ্তীকালত লোকভাৱনাৰে প্ৰতিষ্ঠা পোৱা দেৱতা বাসুদেৱ--এই তিনিও সমন্বিত ৰূপৰ ভাৰতবৰ্ষত জনপ্ৰিয় আৰু সুপ্ৰতিষ্ঠিত ৰূপটোৱেই হ'ল 'কৃষ্ণ'। বেদত সৰ্বপ্ৰথমে কৃষ্ণ সম্বন্ধীয় উল্লেখ পোৱা যায় যদিও সেয়া ভাৰতীয় জনমানসত প্ৰতিষ্ঠিত কৃষ্ণ নহয়। ভাৰতীয় আদৰ্শত জনপ্ৰিয় হৈ থকা কৃষ্ণজন মহাভাৰত আৰু শ্ৰীমদ্ভাগৱতগীতাৰ মাজতহে সমাহিত হৈ আছে। মহাভাৰতৰ কৃষ্ণ প্ৰখৰ বুদ্ধিসম্পন্ন ৰাজনীতিজ্ঞ, সমগ্ৰ ভাৰতবৰ্ষৰ আদৰ্শ। ভাগৱতগীতাৰ কৃষ্ণজন হৈছে অৰ্জুনক কৰ্ম-ধৰ্মৰ মাৰ্গ প্ৰদৰ্শন কৰোঁতা ধৰ্মৰ প্ৰতীক, দাৰ্শনিক আৰু ভাৰতীয় বোধশক্তিৰ প্ৰতিভূ। ভাৰতবৰ্ষৰ সভ্যতাত কৃষ্ণ চৰিত্ৰ ধৰ্ম, জ্ঞান, প্ৰমূল্য, ত্যাগ, বুদ্ধি, নীতি আৰু সংস্কৃতি আদি বিচিত্ৰ দিশেৰে প্ৰতিষ্ঠিত হৈ আছে। এক কথাত কৃষ্ণই ভাৰতৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সমন্বয়সূত্ৰ স্থাপন কৰিছে। পৰৱৰ্তীকালীন ভাৰতীয় সাহিত্য কৃষ্ণদৰ্শন বা কৃষ্ণ চৰিত্ৰই প্ৰদান কৰা আদৰ্শকে সাৰোগত কৰি আগবঢ়া পৰিলক্ষিত হয়। অসমৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৃষ্ণক সংস্কৃতিৰ নিদৰ্শন হিচাবে গ্ৰহণ কৰিছে। আগৰৱালাৰ অধিকাংশ সাহিত্যতে সংস্কৃতিক জীৱনৰ নান্দনিক আধাৰ বুলি প্ৰতিষ্ঠা কৰা দেখা পোৱা যায়। তেখেতৰ আদৰ্শত "সংস্কৃতিয়েহে জগত ধুনীয়া কৰে।" এই সংস্কৃতি কৃষ্ণ সংস্কৃতি। এই আলোচনাত জ্যোতিপ্ৰসাদৰ সংস্কৃতি চেতনাত ভাৰতীয় মনীষাৰ কৃষ্ণ চৰিত্ৰৰ স্থান সন্দৰ্ভত সংক্ষিপ্ত আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

***বীজশব্দ ঃ ভাৰতবৰ্ষ, কৃষ্ণ, সংস্কৃতি, জীৱন, জ্যোতিপ্ৰসাদ ইত্যাদি।***

**আৰম্ভণি ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ এগৰাকী সাধক। সংস্কৃতিৰ প্ৰতি গভীৰভাৱে অনুৰক্ত জ্যোতিপ্ৰসাদে তেখেতৰ ওৰেটো জীৱন অসমৰ সাংস্কৃতিক জগতখনৰ বাবেই আগবঢ়াই থৈ গৈছে। অসমৰ সংস্কৃতিক প্ৰাণৱন্ত কৰা জ্যোতিপ্ৰসাদে যি চেতনাৰে সংস্কৃতিৰ সাধনা কৰিছিল সেই চেতনাত ভাৰতীয় আদৰ্শৰ কৃষ্ণ সত্তা নিহিত হৈ থকা যেন উপলব্ধি হয়। কৃষ্ণই জ্যোতিপ্ৰসাদৰ মনত এনেভাৱে স্থান অধিকাৰ কৰিছে যে সেই কৃষ্ণৰ মাজতে তেখেতে সংস্কৃতিৰ স্বৰূপ বিচাৰি পাইছে। কৃষ্ণৰ সমগ্ৰ জীৱন বিশ্লেষণ কৰিলে এটা কথা বোধ হয় যে সংস্কৃতিৰ বিশাল আয়তনৰ ক্ষেত্ৰখন তেওঁৰ মাজতে নিহিত হৈ আছে। এক কথাত কৃষ্ণ নিজেই এক সংস্কৃতি। ভাৰতীয় সংস্কৃতিক সেয়ে পণ্ডিতে 'কৃষ্ণসংস্কৃতি' নাম দিছে। এই আলোচনাত জ্যোতিপ্ৰসাদৰ সংস্কৃতিৰ চৈতন্যত কৃষ্ণই কিদৰে প্ৰভাৱ পেলাইছে, কিদৰে

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ভাৰতীয় প্ৰজ্ঞাৰ কৃষ্ণ আৰু জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক চিন্তন অভিন্ন হৈছে; সেই দিশত আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ব।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

'ভাৰতীয় মনীষাত কৃষ্ণ আৰু জ্যোতিপ্ৰসাদৰ সংস্কৃতি চেতনা' শীৰ্ষক বিষয়টিৰ দ্বাৰা জ্যোতিপ্ৰসাদৰ চিন্তাত সংস্কৃতি নো কি, এই সংস্কৃতিয়ে কিদৰে মানুহৰ জীৱন-সভ্যতা নিৰ্ণয় কৰে আৰু এই সমগ্ৰ সাংস্কৃতিক চিন্তাত ভাৰতীয় আদৰ্শৰ কৃষ্ণ চৰিত্ৰই কেনেদৰে আত্মপ্ৰকাশ কৰিছে; সেই সন্দৰ্ভত অধ্যয়ন কৰা হৈছে। জ্যোতিপ্ৰসাদৰ সংস্কৃতিবোধ আৰু কৃষ্ণসংস্কৃতিৰ মাজত অভিন্ন স্বৰূপ উপলব্ধিয়েই এই বিষয় অধ্যয়নৰ লক্ষ্য।

**অধ্যয়নৰ পদ্ধতি আৰু তথ্যৰ উৎস ঃ**

প্ৰস্তাৱিত বিষয়ৰ অধ্যয়নৰ বাবে বিষয় বিশ্লেষণ আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। বিষয়ে দাবী কৰা তথ্য সংগ্ৰহৰ বাবে মহাভাৰত, শ্ৰীমদ্ভাগৱতগীতা আদিৰ দৰে ধৰ্মগ্ৰন্থ, জ্যোতিপ্ৰসাদৰ ৰচনাৱলী আৰু অন্যান্য গৱেষণা গ্ৰন্থৰ সহায় লোৱা হৈছে।

**ভৰতীয় মনীষাত কৃষ্ণ ঃ**

হিন্দু ধৰ্মৰ বিচিত্ৰ শাখা-প্ৰশাখাৰ অন্যতম বৈষ্ণৱ শাখাৰ উপাস্য বৈদিক দেৱপুৰুষ বিষ্ণু কালক্ৰমত ভাৰতীয় জনমানসত কৃষ্ণৰূপে অধিষ্ঠিত হ'ল। দেৱকীনন্দন কৃষ্ণ আৰম্ভণিৰে পৰাই 'কৃষ্ণ' বুলি জনাজাত নাছিল। ঋকবেদৰ প্ৰথম, অষ্টম আৰু দশম মণ্ডলৰ বহুকেইটা সুক্তত 'কৃষ্ণ'ৰ উল্লেখ আছে যদিও এইজন কৃষ্ণ ভাৰতৰ জনপ্ৰিয় কৃষ্ণজন নহয় (মহন্ত, ২০২২, পৃ. ১২)। আলোচকসকলৰ মতে এই কৃষ্ণজন এজন মন্ত্ৰদ্ৰষ্টা ঋষিহে। উপনিষদতো কৃষ্ণ আঙ্গিৰস ঋষিৰ শিষ্য। ঋকবেদত বিষ্ণু সম্পৰ্কীয় উল্লেখ পোৱা যায়। এই বেদৰ প্ৰথম মণ্ডলৰ শ্লোকত বিষ্ণুক উপাস্য দেৱতা হিচাবে প্ৰতিষ্ঠা কৰা হৈছে। বেদৰ ধাৰণাই বিষ্ণুক সমগ্ৰ ব্ৰহ্মাণ্ডৰ 'একমেবোদ্বিতীয়ম্' বুলি চিহ্নিত কৰিলে। অৰ্থাৎ তেওঁ সমগ্ৰ জগততে অদ্বিতীয়। ইয়াৰ পাছতে সংস্কৃত সাহিত্যত 'নাৰায়ণ'ৰ উল্লেখ পোৱা যায়। 'শতপথ ব্ৰাহ্মণ'ত উল্লেখ পোৱা নাৰায়ণ পৰৱৰ্তীকালত 'কৃষ্ণ যৰ্জুবেদ'ত বৈদিক দেৱতা বিষ্ণুৰ সৈতে একাত্ম হৈ পৰিল। মহাকাব্যিক যুগত বিষ্ণু আৰু নাৰায়ণ একাকী হৈ লাহেকৈ নাৰায়ণতে বিষ্ণু সমাহিতও হ'ল। বিষ্ণুৰ তুলনাত মহাভাৰতত নাৰায়ণ বেছি প্ৰকাশ্য হৈ পৰিল। বিষ্ণু আৰু নাৰায়ণৰ সৈতে অভিন্ন হৈ পৰা আন এজন দেৱতা হ'ল 'বাসুদেৱ'। বাসুদেৱ লৌকিক দেৱতা। লোকভাৱনাৰে প্ৰতিষ্ঠা পোৱা বাসুদেৱক তৈত্তিৰীয় আৰণ্যকত বিষ্ণু আৰু নাৰায়ণৰ লগত অভিন্ন কৰি দেখুওৱা হ'ল (মহন্ত, ২০২২, পৃ. ৮)। উল্লিখিত আটাইকেইজন দেৱতাই ঐক্যসূত্ৰে বান্ধ খাই ভাৰতীয় মানসত 'কৃষ্ণ' বুলি জনাজাত হ'ল। ভাগৱত পুৰাণ, বিষ্ণু আৰু ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, হৰিবংশ আদিত জিলিকি উঠা কৃষ্ণ মহাভাৰতত ভাস্বৰ হৈ পৰিল। মহাভাৰতত কৃষ্ণই গোটেই কাহিনীৰ পৰিচালনা কৰিছে। 'ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয়' নীতিৰে মহাভাৰতত কৃষ্ণ এগৰাকী সুদক্ষ কুটনীতিবিদ হিচাবে পৰিচিত হৈছে। মহাভাৰতত যি হৈছে, যি ঘটিছে; সকলোৰে কাৰণ এই কৃষ্ণ। এই মহাভাৰতৰে কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত কৃষ্ণ আৰু অৰ্জুনৰ মাজৰ কথোপকথনেৰে গীতাৰ সাৰবস্তু


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

গঢ় লৈছে। ভাৰতীয় আদৰ্শত মহাভাৰত আৰু গীতাৰ কৃষ্ণজনেহে অধিক ব্যাপ্তি লভিছে। এই উভয় ধৰ্মগ্ৰন্থৰে কৃষ্ণ চৰিত্ৰ ধৰ্ম, জ্ঞান, প্ৰমূল্য, ত্যাগ, বুদ্ধি, নীতি আৰু সংস্কৃতি আদিৰ নিদৰ্শন ৰূপে চিহ্নিত হৈছে।

ভাৰতীয় আদৰ্শত যিজন কৃষ্ণ প্ৰতিষ্ঠিত হৈ আছে, সেইজন মহাভাৰতৰ প্ৰখৰ বুদ্ধিসম্পন্ন কৃষ্ণ, গীতাৰ আদৰ্শময়, ধৰ্ম প্ৰতিষ্ঠাপক কৃষ্ণ। ভাৰতীয় সাধাৰণ আৰু সৰল জনমনীষাই কৃষ্ণক ভগৱান বা ঈশ্বৰ বোলাতকৈ মানৱীয় ৰূপেৰে চাবলৈ বিচাৰে। কেতিয়াবা যদি কৃষ্ণৰ শিশুলীলাৰ কাহিনীয়ে মানুহক মনোৰঞ্জন দিছে, কেতিয়াবা আকৌ যমুনা পুলিনত গোপীৰ সৈতে কেলি কৰা প্ৰেমিক কৃষ্ণই ভাৰতীয় সভ্যতাক প্ৰেমময় কৰি তুলিছে। বিভিন্ন ধৰ্মগ্ৰন্থ, মহাভাৰত, গীতাৰ কৃষ্ণচৰিত্ৰই কিছুমান গুৰুত্বপূৰ্ণ আদৰ্শ ভাৰতৰ অবাল-বৃদ্ধ-বনিতাৰ মানসত স্থাপন কৰিছে। ধৰ্মগ্ৰন্থসমূহৰ কাহিনী অধ্যয়ন কৰিলে কৃষ্ণক ধৰ্ম, কৰ্ম, ত্যাগ, নীতি, প্ৰেম, বন্ধুত্ব, প্ৰমূল্য, বুদ্ধি, জ্ঞান, প্ৰজ্ঞা, সংস্কৃতি আদি বিবিধ আদৰ্শৰ নিদৰ্শন হিচাবে উপলব্ধি কৰিব পৰা যায়। কুৰুক্ষেত্ৰৰ যুদ্ধত কৃষ্ণই ধৰ্ম আৰু কৰ্মৰ জ্ঞানেৰে অৰ্জুনক যুদ্ধৰ বাবে সাজু কৰাৰ বিপৰীতে আকৌ শিশুলীলাৰ কৃষ্ণই পুতনা, অঘাসুৰ, বকাসুৰ, ধেনুকাসুৰ, কংস আদি দৈত্য আৰু অশুভশক্তিক বধি জগতত ধৰ্মই যে শ্ৰেষ্ঠ, ধৰ্মৰ হাতত অধৰ্মৰ পতন যে সুনিশ্চিত সেই বাণী প্ৰচাৰ কৰিছে। কৃষ্ণই ধৰ্ম স্থাপনৰ বাবেই নিজ জন্মদাত্ৰী মাতৃক ওপজিয়েই এৰি গকুললৈ আহিব লগা হৈছে, সেয়ে তেওঁ ত্যাগৰো প্ৰতীক। শিশুকালৰ কৃষ্ণই যমুনা পুলিনত গোপশিশু সহিতে বৃন্দাবনত গৰু চৰাইছে। গো বৎস আৰু কৃষ্ণৰ মাজত এক অভিন্ন সম্পৰ্ক ধৰ্মকাহিনীয়ে দেখুৱাইছে। এয়া নিসন্দেহে 'বসুধৈৱ কুটুম্বকম্'ৰ আদৰ্শ। সমগ্ৰ জগতখনকেই আপোন বুলি ভাবিবলৈ শিকোৱা কৃষ্ণৰ মানসত যমুনা পুলিনৰ ময়ুৰ, বৃন্দাবনৰ গো বৎস সকলো সমাহিত হৈ ৰৈছে। কালীয় হ্ৰদৰ কালীয়নাগে সংগীশিশুগণৰ দেহ বিষময় কৰোঁতে, অঘাসুৰ-বকাসুৰে লগৰীয়াসৱক গোটে-গোটে ভক্ষণ কৰোঁতে কৃষ্ণই তেওঁলোকৰ বাবেই নিজৰ সৰ্বস্ব ত্যাগ কৰিছে। বন্ধুত্ব যে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ সম্বল, সেই কথা কৃষ্ণ চৰিত্ৰৰ এই কাহিনীয়ে ভাৰতীয় মানুহৰ মনত সোমোৱাই থৈছে। এই সকলোৰে উৰ্দ্ধত কৃষ্ণক ধৰ্মগ্ৰন্থই সংস্কৃতিৰ নিদৰ্শন ৰূপে স্থাপন কৰিছে। সেয়ে ভাৰতীয় সংস্কৃতি 'কৃষ্ণসংস্কৃতি' বুলিলেও অত্যুক্তি কৰা নহ'ব।

**জ্যোতিপ্ৰসাদৰ সংস্কৃতি চেতনা আৰু কৃষ্ণ ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাই বিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জগতখনক নেতৃত্ব প্ৰদান কৰিছিল। আগৰৱালাক অসমীয়া সাংস্কৃতিক জাগৰণৰ তৃতীয়টো স্তৰত প্ৰতিষ্ঠা কৰিব পৰা যায়। প্ৰথম স্তৰৰ শ্ৰীমন্ত শংকৰ আৰু মাধৱ পুৰুষৰ পাছতে অসমীয়া জাতিক বেজবৰুৱা-গোহাঞিবৰুৱাই নেতৃত্ব দিয়াৰ দৰেই জ্যোতিপ্ৰসাদ-বিষ্ণু ৰাভাই সংস্কৃতিৰ তৃতীয়টো ঢৌ আনিলে। জ্যোতিপ্ৰসাদৰ দৰ্শন-চিন্তা আৰু আদৰ্শ সংস্কৃতি চেতনাতে সমাহিত হৈ আছে। তেখেতে 'উষাৰ কোলাত থৈ (চিৰবিদ্ৰোহিনী-১)' কবিতাত লিখিছে---

"ৰূপান্তৰেহে মাথোঁ
জগত ধুনীয়া কৰে,
এয়ে মোৰ
গায়ত্ৰী মন্ত্ৰ....."

আগৰৱালাৰ এই ৰূপান্তৰেই সংস্কৃতি। তেখেতে বুজাই দিছে যে সংস্কৃতি মানেই ৰূপান্তৰ, ৰূপান্তৰ মানেই সৌন্দৰ্য। সেয়ে জ্যোতিপ্ৰসাদৰ প্ৰায় সকলো সাহিত্যতে সৌন্দৰ্যৰ প্ৰসংগ অৱতাৰিত হৈছে।

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

জ্যোতিপ্ৰসাদ আগৰৱালাই কৃষ্ণ চৰিত্ৰক বুকুত স্থাপন কৰিছে। কৃষ্ণৰ সৌন্দৰ্যই তেখেতক কেৱল বাহ্যিকভাৱেই নহয়, আভ্যন্তৰীণ সত্বাৰেও স্পৰ্শ কৰিছে। তেখেতৰ দৃষ্টিত কৃষ্ণ হৈছে সখা, বন্ধু। কৃষ্ণৰ বাঁহীৰ পঞ্চম সুৰে তেখেতক পৰমানন্দ প্ৰদান কৰিছে। কৃষ্ণৰ শ্যামবৰণীয়া তনুত পুৱতি নিয়ৰে সনা অপূৰ্ব সৌন্দৰ্য দেখি জ্যোতিপ্ৰসাদ বিমুগ্ধ হৈ ৰৈছে। আচলতে জ্যোতিপ্ৰসাদক কৃষ্ণ সত্বাই নান্দনিকভাৱে স্পৰ্শ কৰিছে। তেখেতে কৃষ্ণ চৰিত্ৰৰ মাজত কলাত্মক নান্দনিক শোভাৰ সন্ধান কৰি প্ৰতিষ্ঠা কৰিছে যে কৃষ্ণই ভাৰতীয় সংস্কৃতি আৰু ভাৰতেই কৃষ্ণসংস্কৃতি। জ্যোতিপ্ৰসাদ আগৰৱালাই গীতত কৃষ্ণৰ অপূৰ্ব সৌন্দৰ্যৰ কথা সেয়ে লিখিছে---

“মোৰে জীৱনৰে সখা কৃষ্ণ বজাৱ কি সুৰে বেণু
কপালতে তোৰ কোনে আঁকি দিলে ইন্দ্ৰধনু?
পুৱতি নিয়ৰে, সানে চৰণতে
শুকুলা মুকুতাৰ ৰেণু
অ' তোৰ শ্যামল গাতে কোনে চন্দন পিন্ধালে ?
অ' তোৰ ফুল কুমলীয়া তনু
বজাৱ সোণৰে বেণু
সুৰৰে জিঞ্জিৰি পিন্ধালি মোক সুৰৰে জিঞ্জিৰি।।”

জ্যোতিপ্ৰসাদৰ এই গীতটিয়ে স্পষ্টকৈ প্ৰমাণ কৰে যে ভাৰতীয় আদৰ্শৰ যিজন কৃষ্ণক তেখেতে অন্তঃসত্বাৰে গ্ৰহণ কৰিছে, সেইজন সৌন্দৰ্য আৰু সুকুমাৰ সাধক কৃষ্ণহে। জ্যোতিপ্ৰসাদে আপোন মানসত কৃষ্ণৰ আদৰ্শময় স্বৰূপ আৰু সুন্দৰ বিমোহন ৰূপ একত্ৰিত কৰি এনে এজন কৃষ্ণ গঢ় দিছে, যিজন কৃষ্ণই ভাৰতীয় মানুহক কলা-শিল্পৰ কথা কয়, সুন্দৰৰ আৰাধনা কৰিবলৈ শিকায়, নান্দনিক শোভাৰে মানুহক স্বয়ংসম্পূৰ্ণ হ'বলৈ অনুপ্ৰাণিত কৰে।

জ্যোতিপ্ৰসাদ আগৰৱালাই 'শিল্পীৰ পৃথিৱী' নামেৰে শিৱসাগৰত বহা সদৌ অসম শিল্পী সংঘৰ প্ৰথম অধিৱেশনৰ সভাপতিৰ অভিভাষণত প্ৰকাশিত লেখাটোত কৃষ্ণ চৰিত্ৰক নিজ মানসেৰে অংকন কৰিছে (মহন্ত, ২০২২,পৃ. ১৯৪)।এই লেখাটোতে জ্যোতিপ্ৰসাদৰ কৃষ্ণ চিন্তাই সংস্কৃতি চেতনাৰ সৈতে একাত্ম হৈ ধৰা দিছে। জ্যোতিপ্ৰসাদৰ মতে মানুহৰ সভ্যতাৰ অগ্ৰগতিৰ লগে লগেই সংস্কৃতি চেতনায়ো গতি লাভ কৰিছে। মানুহে সভ্যতাৰ আদিৰে পৰা নিজৰ ক্ষুধা নিবাৰণ কৰাকে ধৰি দৈনন্দিন জীৱনচৰ্যাত নান্দনিকতাক সোপান কৰি লৈছে। তেওঁলোকে নিজে নজনাকৈয়ে সংস্কৃতিৰ সৰ্বাত্মক চেতনাই সভ্যতাক স্পৰ্শ কৰিছে। দৈনন্দিন কামটোতো ধুনীয়া বা সৌন্দৰ্য আৰোপ কৰাটো মানুহৰ অন্তহীন হেঁপাহ। জ্যোতিপ্ৰসাদে 'শিল্পীৰ পৃথিৱী' নামৰ উল্লিখিত প্ৰবন্ধটিত লিখিছে----

*“সৌন্দৰ্য ভালপোৱা আৰু সৌন্দৰ্যলৈ পিয়াহো তাৰ গাতেই আহিছিল লাগি পেটৰ ভোক-পিয়াহৰ দৰেই। সি ফল-মূল খাই, বনৰ ফুল-পাত লৈ, জুৰিটিৰ উফৰি পৰা বগা ফেন সোপালৈ চাই আৰু তাৰ কুলকুলনি শুনে, নীলা আকাশত মনটো উৰি ফুৰে। তেতিয়াহে তাৰ সোৱাদ ফল-মূল খাই পোৱা তৃপ্তিৰ পূৰ্ণ তৃপ্তি হয়। এই যে মানুহৰ খাই বৈ তৃপ্তি পোৱাৰ পিছতো জীৱনৰ আনন্দ পূৰ্ণ কৰিবলৈ, মধুৰ দৰ্শন, মধুৰ শ্ৰৱণ তাক লাগে-এই যে পেটৰ ভোক-পিয়াহৰ দৰেই তাৰ এই স্বাভাৱিক সৌন্দৰ্যমুগ্ধতা--সৌন্দৰ্যৰ বাবে হেঁপাহ---এই হেঁপাহতেই আছিল সংস্কৃতিৰ নীহাৰিকাৰ ৰূপ।”* (হীৰেন, ২০০৩,পৃ. ৪১৯)।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

অৰ্থাৎ সংস্কৃতি মানৱ জীৱনৰ অভিন্ন অংগ। মানুহে সংস্কৃতিকে সম্বল কৰি সভ্যতাৰ পথেৰে আগুৱাই আহিছে। এই সংস্কৃতিয়েই মানুহক পশুৰ পৰা নিলগাই ৰাখিছে। সংস্কৃতিয়ে মানুহ গঢ়ে, শিল্পীৰ জন্ম দিয়ে। য'ত শিল্প, ত'তেই সংস্কৃতি। ই মানুহৰ মনক কলাসুলভ কৰাৰ লগতে এক অপাৰ্থিৱ সৌন্দৰ্য প্ৰদান কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ সংস্কৃতিৰ কথা ক'বলৈ গৈ এই সংস্কৃতিক গতিপ্ৰদান কৰা শ্ৰীমন্ত শংকৰ পুৰুষৰ কথা উল্লেখ কৰিছে। অসমৰ সংস্কৃতি শংকৰে গঢ় দিয়া সংস্কৃতি আৰু এই সংস্কৃতিৰ আধাৰবস্তু ভাৰতীয় আদৰ্শৰ কৃষ্ণ চৰিত্ৰৰ মাজত সমাহিত হৈ আছে। ব্যাকৰণগত অৰ্থ বিশ্লেষণ কৰিলে কৃষ্ণ শব্দই 'সংস্কৃতি' অৰ্থকে প্ৰকাশ কৰে। ভাৰতবৰ্ষৰ মানুহে কৃষ্ণক উপাসনা কৰে, কৃষ্ণই দেখুৱাই যোৱা আদৰ্শেৰে জীৱন পৰিচালিত কৰে। ভাৰতৰ সংস্কৃতিৰ ক্ৰমবিকাশ, অগ্ৰগতি আৰু উত্তৰণ কৃষ্ণ চৰিত্ৰক আধাৰ কৰিয়েই সম্পন্ন হৈছে। কৃষ্ণই ভাৰতীয় মানুহক সুন্দৰ হ'বলৈ শিকাইছে, অধৰ্মৰ বিপক্ষে যুঁজিবলৈ শিকাইছে। জ্যোতিপ্ৰসাদে লিখিছে--

*"আজি আমি ভাৰতীয়ই, ইউৰোপীয়ই, মঙ্গোলীয়ই, গণতান্ত্ৰিকে, জনতান্ত্ৰিকে যাক সংস্কৃতি বুলি কওঁ- পুৰণি ভাৰতত থকা হিন্দু সংস্কৃতি গঢ়া আৰু সেই মতে চলা ভাৰতৰ মানুহখিনিয়ে সংস্কৃতিক 'কৃষ্ণ' বুলি নাম দিছিল আৰু 'কৃষ্ণ' বুলি উপাসনা ,পূজা আৰু কৃষ্ণই দেখুওৱা আদৰ্শ মতে মানৱ জীৱনত আগবাঢ়িছিল। ভাৰতত সত্য, ত্ৰেতা যুগ পাৰ হৈ দ্বাপৰত আহি ভাৰতীয় সংস্কৃতিয়ে যি ৰূপ ধৰিলে- সেই ৰূপটোৱেই হৈছে কৃষ্ণ।"* (হীৰেন, ২০০৩,পৃ. ৪২৩)। কেৱল অসম বা ভাৰতেই নহয়, সমগ্ৰ পৃথিৱীয়েই কৃষ্ণ সংস্কৃতিতে প্ৰতিষ্ঠিত। এই পৃথিৱীত মানুহৰ সংস্কৃতিয়ে হিংসাতকৈ অহিংসাক বেছি শ্ৰেষ্ঠ বুলি ঘোষণা কৰিছে। কৃষ্ণও অহিংস নীতিত বিশ্বাসী আছিল। ধৰ্মৰ যুঁজত কৃষ্ণই নিজেই অস্ত্ৰ তুলি লোৱা নাছিল। সেই আদৰ্শ যেন ভাৰতত মহাত্মা গান্ধীয়ে গ্ৰহণ কৰিলে। পূৰ্বেই আলোচনা কৰা হৈছে যে জ্যোতিপ্ৰসাদে কৃষ্ণক সুন্দৰৰ দৃষ্টিৰে চাইছে। তেখেতৰ আদৰ্শত কৃষ্ণৰ ভুৱনবিমোহন-চিৰসুন্দৰ ৰূপ সমাহিত হৈ আছে। সেয়ে জ্যোতিপ্ৰসাদৰ যি সৃষ্টিয়েই লক্ষ্য কৰা নহওক কিয়, সকলোতে ভাৱ-ভাষা-চৰিত্ৰৰ মাজত সেই পৰমসুন্দৰৰ অভিব্যক্তি প্ৰত্যক্ষ কৰিব পৰা যায়। জ্যোতিপ্ৰসাদৰ সৌন্দৰ্যচেতনাৰ উদাহৰণস্বৰূপে তেখেতৰ দ্বাৰা ৰচিত এই গীতটো লক্ষ্য কৰা হওক--

"মোৰে ভাৰতৰে মোৰে সপোনৰে
চিৰ সুন্দৰ সংস্কৃতি,
সেউজীয়া বনতে সেউজীয়া মনতে
বিকশি প্ৰকাশি উঠা
নৱ জন জীৱনৰে অভিনৱ জ্যোতি...."

বিশাল ভাৰতৰ অপূৰ্ব সুন্দৰ ৰূপটোতে যেন জ্যোতিপ্ৰসাদে কৃষ্ণক বিচাৰি চাইছে। সেউজীয়া বন-মন কৃষ্ণৰ শ্যাম বৰণীয়া সৌন্দৰ্য। এই সৌন্দৰ্যৰ প্ৰতি ভালপোৱা, সৌন্দৰ্যৰ বুকুতে নতুন জীৱন বিকশাই তোলাই ভাৰতীয় চিন্তা মনীষা আৰু এই মনীষা ভাৰতীয়ক প্ৰদান কৰিছে কৃষ্ণই। কৃষ্ণৰ জীৱন আছিল আন্ধাৰৰ পৰা আলোকলৈ যাত্ৰা। কাৰাগাৰৰ গভীৰ আন্ধাৰত ওপজা কৃষ্ণই বসুদেৱৰ জৰিয়তে যমুনাৰ উত্তাল ঢৌ, আকাশৰ মেঘৰ গৰ্জন নেওচি পোহৰলৈ গৈছিল। এই পোহৰ ভাৰতীয় সংস্কৃতিৰ প্ৰতীক। ভাৰতীয় সংস্কৃতিয়েও পোহৰৰ প্ৰশস্তি কৰিছে। উপনিষদত পোহৰৰ বাসনা এইদৰে আছে---

"ওম অসতো মা সদ্-গময়।
তমসো মা জ্যোতিৰ্গময়।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

মৃত্যু-মা অমৃতম গময়।
ওম শান্তিঃ শান্তিঃ শান্তিঃ।।”

এই পোহৰমুখী যাত্ৰা কৃষ্ণ চৰিত্ৰই ভাৰতবাসীক দেখুৱাই থৈ গৈছে। জ্যোতিপ্ৰসাদে ভাৰতীয় সংস্কৃতিক পোহৰৰ সংস্কৃতি বুলি কৈছে। ভাৰতবৰ্ষৰ প্ৰতিজন মানুহে পোহৰৰ বাসনা কৰে, আন্ধাৰ বিনাশি জ্যোতিৰ পথেৰে আগুৱাবলৈ খোজে। ভাৰতীয় বৃহৎ সংস্কৃতিয়ে যুগে যুগে আন্ধাৰ নাশিছে। সেই আন্ধাৰ কেতিয়াবা বিদেশী শক্তিয়ে সৃষ্টি কৰা আন্ধাৰ আৰু কেতিয়াবা মানসিক আন্ধাৰ। ভাৰতীয়ই একত্ৰিত শক্তিৰে আন্ধাৰ ভেদি আলোক বসন্তৰ প্ৰশস্তি কৰিছে। কৃষ্ণই যিদৰে আন্ধাৰ কাৰাগৰ্ভত উপজিও গোটেই জীৱনটো পোহৰৰ নিদৰ্শন দেখুৱালে, সেই একেই পোহৰৰ জিলিঙণি ভাৰতভূমিত পৰিছে। জ্যোতিপ্ৰসাদৰ সংস্কৃতি চেতনা এই কৃষ্ণময় আলোক সংস্কৃতি। সেয়েহে তেখেতে গীতত লিখিছে---

“তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ অব্যৰ্থ,
আমি পালোঁ জীৱনৰ অৰ্থ অভিনৱ
স্বাগত স্বাগত সতীৰ্থ,
সেউজীয়া জীৱনৰে জাগৃতি ছন্দ
আহে আহে জনতাৰ অন্তৰে অন্তৰে
আলোক বসন্ত হাঁহে হাঁহে
প্ৰচাৰিত অৰুণবাণী....”

জ্যোতিপ্ৰসাদে কৃষ্ণৰ মোহন বাঁহীক সংস্কৃতিৰ অনন্য ৰূপ বুলি অভিহিত কৰিছে। বাঁহী সুকুমাৰ কলাৰ প্ৰতীক। বাঁহীৰ পঞ্চম সুৰত সমগ্ৰ বৃন্দাবনৰ গোপী মতলীয়া হৈছিল। সেই বাঁহীৰ সুৰে বৃন্দাবনত চৰি থকা ধেনুবোৰকো উল্লাসিত কৰিব পাৰিছিল। সংস্কৃতিৰ চেতনাও তেনেকুৱাই। ই মানুহক আনন্দ প্ৰদান কৰিব পাৰে, মানুহৰ মানসিক জগতত এনে এক অপাৰ্থিৱ সুৰ সঞ্জীৱিত কৰিব পাৰে যি যমুনা পুলিনৰ গোপী-গো বৎসৰ দৰেই মানুহক পূৰ্ণ কৰি তোলে। সংস্কৃতিৰ অনঘ শক্তিয়ে যিকোনো মানুহকে জীয়াই তুলিব পাৰে। ভাৰতীয় সংস্কৃতিয়েও ভাৰতীয় মানুহক সুন্দৰ কৰিছে, অপূৰ্ব কলাত্মক শোভাৰে সুশোভিত কৰিছে। জ্যোতিপ্ৰসাদে উল্লিখিত প্ৰবন্ধত লিখিছে---

*“সংস্কৃতি ৰূপী কৃষ্ণৰ বাঁহীত মুগ্ধ হৈ নাৰীৰ সংস্কৃতি পিয়াহ জাগি উঠে কৃষ্ণ-প্ৰেম ৰূপেৰে। সংস্কৃতিৰ বাবে ঘৰুৱা কাম-কাজো এৰি সংস্কৃতিৰ বাঁহী শুনি বলিয়া হৈ যাব খোজে।”* (হীৰেন, ২০০৩,পৃ. ৪২৭)।

এই কৃষ্ণৰ বাঁহীৰ প্ৰতি ভালপোৱাতেই সংস্কৃতিৰ স্বৰূপ সোমাই আছে। গকুলৰ জীয়ৰী-বোৱাৰীয়ে বাঁহীৰ সুৰ শুনি ঢপলিয়াই অহাৰ দৰেই সংস্কৃতিৰ সমাহিত শক্তিয়ে মানুহক আকৰ্ষণ কৰে। সেয়ে মানুহে গীত-নৃত্য-অভিনয়-কলাৰ প্ৰতি প্ৰেম বা অনুৰাগ প্ৰদৰ্শন কৰে। এক কথাত কৃষ্ণৰ বাঁহীতে যেন সংস্কৃতিৰ বীজ লুকাই আছে।

কৃষ্ণ চৰিত্ৰ সাংস্কৃতিক ৰূপান্তৰৰো প্ৰতীক। সংস্কৃতি পৰিৱৰ্তনশীল। উৎসস্থলৰ পৰা একো একোখন নদী প্ৰবাহিত হৈ আহোঁতে বাটত ঠেকা খাই, নতুন ৰূপ গ্ৰহণ কৰে। সংস্কৃতি বোঁৱতী নদীৰ দৰেই। ৰূপান্তৰে সংস্কৃতিৰ ভেঁটি নিৰ্মাণ কৰিছে। জ্যোতিপ্ৰসাদে সাংস্কৃতিক ৰূপান্তৰৰ প্ৰসংগত কৃষ্ণ আৰু কুঁজী বাইৰ কাহিনীৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

সূত্ৰ আনিছে। বলোৰাম সহিতে কৃষ্ণই মথুৰা নগৰীলৈ যাত্ৰা কৰোঁতে বাটতে কুঁজী বুঢ়ীক লগ পালে। কুঁজীয়ে ফুলৰ মালা আৰু সুগন্ধিত চন্দন লৈ কৃষ্ণলৈ অপেক্ষা কৰি আছিল। মালা পিন্ধাই কৃষ্ণৰ কপালত কুঁজীয়ে চন্দনৰ ফোঁট দিয়াৰ পাছতে কৃষ্ণই কুঁজীৰ কুঁজ স্পৰ্শ কৰে আৰু লগে-লগেই কুঁজী বাইৰ ৰূপৰ পৰিৱৰ্তন হয়। কুঁজ নোহোৱা হয়, বুঢ়ী কুঁজী বাই পূৰ্ণ যৌৱনা ৰূপৱতী গাভৰু হয়। জ্যোতিপ্ৰসাদৰ মতে এয়াই সংস্কৃতিৰ ৰূপান্তৰ। কৃষ্ণ সংস্কৃতিয়ে ৰূপান্তৰৰ প্ৰশস্তি কৰিছে। একঘেয়ামী, স্থবিৰ সংস্কৃতিয়ে মানুহৰ জীৱন সঞ্জীৱিত কৰিব নোৱাৰে। ৰূপান্তৰে সংস্কৃতিক স্পৰ্শ কৰিবই লাগিব। জ্যোতিপ্ৰসাদে লিখিছে,

*"এই কৃষ্ণৰূপী নতুন সংস্কৃতিৰ স্পৰ্শত পুৰণি সংস্কৃতিৰ ৰূপ সাৰ পাই উঠি নতুন ৰূপত হাঁহি উঠে। এই নজোৱানৰূপী কৃষ্ণ সংস্কৃতিৰ হাতত পৰি পুৰণি হৈ আপচু হোৱা সাংস্কৃতিক সুকুমাৰ সম্পদে নবীন যৌৱন লাভ কৰে। কুঁজী ধামনী বাই কৃষ্ণাইক লগ পাই যোল বছৰীয়া হয়। আজিও অসমৰ যি সংস্কৃতি সম্পদ কুঁজীৰ দৰে বয়সৰ ভৰত জীৱনৰ বাবে অকৰ্মন্য হৈছে যাৰ সৌন্দৰ্য ম্লান পৰি গৈছে, যি কুঁজী নবীন জোৱান কৃষ্ণৰ অনুৰক্ত---অৰ্থাৎ নতুন সংস্কৃতিত খাপ খাব পৰা---তাক আজি নকৈ ওপজা সংস্কৃতিৰ ৰূপে গৈ চুই দি নবীন কৰি দিব লাগিব।"* (হীৰেন, ২০০৩, পৃ. ৪২৮)।

কৃষ্ণই সংস্কৃতি ৰক্ষাৰ বাবে দুস্কৃতিৰ বিনাশ কৰিছে। কালীয় নাগৰ ওপৰত উঠি কৃষ্ণই যি নৃত্য কৰিলে, সেয়া যেন সংস্কৃতি স্থাপনৰে নিদৰ্শন। ৰূপান্তৰৰ বাটেৰে যাওঁতে সংস্কৃতিক মাজে-সময়ে দুষ্ট শক্তিয়ে পথৰুদ্ধ কৰে। 'কৃষ্ণৰ কালীয় দমন' এই দুষ্ট শক্তি বিনাশৰ অপূৰ্ব নিদৰ্শন। জ্যোতিপ্ৰসাদে কৈছে, *"এই কৃষ্ণৰূপী সংস্কৃতিয়েই দুৰ্নীতিৰূপী কালীয় নাগৰ ফণাৰ ওপৰত উঠি নৃত্য কৰি তাক দমন কৰি গোৱালৰূপী জনতাক দুৰ্নীতিৰ বিষোদগাৰৰ পৰিত্ৰাণ কৰোৱাব।"*(হীৰেন, ২০০৩, পৃ. ৪২৮)। সংস্কৃতিয়ে তাৰ আপোন ক্ষেত্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজন সাপেক্ষে কালীৰূপ ধাৰণ কৰিব লাগে, ধাৰণ কৰে। এই কালীয় দমন সংস্কৃতিয়েই আকৌ এসময়ত সবল হৈছে, সবল হৈ অত্যাচাৰীৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে। মোমায়েক কংসৰ অপসংস্কৃতি বধি একেজন কৃষ্ণই বিশাল আয়তন লভি সংস্কৃতি প্ৰতিষ্ঠাৰ যুঁজখনক কুৰুক্ষেত্ৰৰ ৰণভূমিলৈ সম্প্ৰসাৰিত কৰিছে। কুৰুক্ষেত্ৰৰ অৰ্জুনৰ ৰথৰ ওচৰত থিয় হৈ এই একেই কৃষ্ণসংস্কৃতিয়ে ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় ঘোষণা কৰিছে।

সংস্কৃতিয়ে আত্মপ্ৰতিষ্ঠাৰ বাবে এইদৰে দুস্কৃতিৰ বিপৰীতে যুঁজ দিবই লাগিব। জ্যোতিপ্ৰসাদে কৃষ্ণক এই সংস্কৃতিৰ যুঁজখনৰ শুভশক্তিৰূপে বিশ্লেষণ কৰিছে---*"এই কৃষ্ণৰূপী সংস্কৃতিয়ে বলিষ্ঠ হৈ উঠি অত্যাচাৰীৰ বিৰুদ্ধে সংগ্ৰামত প্ৰবৃত্ত হয়। আপোনাৰ মোমায়েক হ'লেও কংসক বধি লাহে লাহে জীৱনৰ বহল সংঘাতৰ মাজলৈ কুৰুক্ষেত্ৰলৈ গৈ পৃথিৱীৰ সংস্কৃতি আৰু দুষ্কৃতিৰ আজিলৈকে হৈ থকা সংঘাতৰ মাজত সংস্কৃতি-ভক্ত পাণ্ডৱৰ শ্ৰেষ্ঠ বীৰ অৰ্জুনৰ ৰথৰ সাৰথি হৈ থিয় হয়গৈ।"*(হীৰেন, ২০০৩, পৃ. ৪২৮)। অৰ্থাৎ সংস্কৃতিয়ে বাট বুলিবলৈ এই যুঁজখনত প্ৰবৃত্ত হৈ বিজয়ী হ'বই লাগিব; নতুবা অপ-সংস্কৃতিৰ শক্তিয়ে সংস্কৃতিৰ গতি ৰুদ্ধ কৰাটো স্বাভাৱিক।

অৱশ্যে অপশক্তিয়ে সংস্কৃতিৰ পথ কেতিয়াও নেৰে। জ্যোতিপ্ৰসাদেও কৈছে, *"সংস্কৃতিৰ প্ৰতীকৰ জন্ম হয় দুষ্কৃতিৰ মাজতেই। একে মঙহতে একে বঙহতেই, দুষ্কৃতিৰ মাজতেই সংস্কৃতিয়ে জন্ম লয়। দুষ্কৃতিৰ তালৈ ভয়--তাক বধিবলৈ বিচাৰি ফুৰে।"*(হীৰেন, ২০০৩, পৃ. ৪২৭)। কৃষ্ণৰ জন্ম কংসৰ বংশত। জন্মতেই কংস কৃষ্ণৰ বৈৰী হৈ পৰিছে। সংস্কৃতিৰূপী কৃষ্ণক বধিবলৈ কংসই নানান দৈত্য-ৰাক্ষস নিয়োজিত কৰিছে। পুতনা, অঘাসুৰ, বকাসুৰ আদি দৈত্যই কিন্তু অশেষ বল কৰিও কৃষ্ণক বধিব পৰা নাই। সংস্কৃতিৰ মাজত


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

সমাহিত হৈ ৰোৱা শুভশক্তিয়ে এই সকলো দুষ্কৃতিৰ বিনাশ সাধিছে। অৰ্থাৎ কৃষ্ণ সংস্কৃতিয়ে প্ৰমাণ কৰি থৈছে যে সংস্কৃতিৰ মৰণ নাই। দুষ্কৃতিয়ে সংস্কৃতিক সবল আৰু প্ৰতিষ্ঠিত হোৱাত সহায়হে কৰে। এনে দুঃশক্তিৰ পৰা সংস্কৃতিয়ে আত্মবল আৰু আত্মৰক্ষাৰ কৌশল নিজেই শিকি লয়। কেনেবাকৈ যদি দুষ্কৃতিৰ হাতত সংস্কৃতিৰ পতনো হয়, খুব সোনকালেই আকৌ পতিত সংস্কৃতি জাগি উঠে। সেই দুষ্কৃতিৰ ভিতৰতে সংস্কৃতিয়ে জন্ম লয়। আচলতে ই এটা চক্ৰ।

দুষ্কৃতিক বধিবলৈ সংস্কৃতিয়ে যদি নিজেই দুষ্কৃতিৰ ৰূপ ধাৰণ কৰে, তেন্তে দুষ্কৃতিৰ ব্যাধিৰ কবলত পৰি সি নিজে নষ্ট হৈ যায়। যদুবংশ ধংস হৈছে। ব্যাধৰ শৰত কৃষ্ণৰ মৃত্যু হৈছে। সংস্কৃতিক সংস্কৃতিৰ অস্ত্ৰেৰেহে ৰক্ষা কৰিব লাগিব। দুষ্কৃতি নাশিবলৈ যদি সংস্কৃতিয়ে নিজে নকৰিলেও আনৰ হতুৱাই চল-চাতুৰি, হিংসা, কূটনীতিৰ ব্যৱহাৰ কৰে, তেন্তে সংস্কৃতিও ব্যাধিগ্ৰস্ত হয়। কৃষ্ণৰ জীৱনে ইয়াৰেই ইংগিত বহন কৰিছে। কৃষ্ণই প্ৰত্যক্ষ হাতেৰে অস্ত্ৰ ধৰা নাই। কিন্তু কুৰুক্ষেত্ৰৰ যুদ্ধত চল-চাতুৰি, কূটনীতিৰ আধাৰো কৃষ্ণই। সেয়ে জ্যোতিপ্ৰসাদৰ মতে কৃষ্ণ নিজেই পাকচক্ৰত সোমাই পৰিছে। অৱশেষত নিজেই ধ্বংসও হৈছে, আত্মীয়-স্বজনো নিহত হৈছে। জ্যোতিপ্ৰসাদে কৃষ্ণৰ মৃত্যুৰ কথা উপলব্ধি কৰি লিখিছে---

*"কৃষ্ণয়েই ব্যাধৰ শৰত দেহ ত্যাগ কৰে। কৃষ্ণৰ নিজস্ব বংশ যদু বংশই ধ্বংস হৈ যায়। কৃষ্ণ কিয় ব্যাধৰ শৰত মৰে-যদুবংশ কিয় ধ্বংস হয়? .......... মহাত্মাই কিন্তু কয়, সংস্কৃতিক সাংস্কৃতিক অস্ত্ৰেৰেই ৰক্ষা কৰা উপায় উলিয়ালেই ইয়াৰ সমাধান হ'ব। দুষ্কৃতিক ধ্বংস কৰিবলৈ যাওঁতে সংস্কৃতিয়ে যদি দুষ্কৃতিৰ উপায় হিংসা, কূটনীতি, ছল-চাতুৰি এইবোৰ ব্যৱহাৰ কৰে, তেন্তে সংস্কৃতিও এইবোৰ সংক্ৰামক ব্যাধিৰে দুষ্ট হৈ পিছত সেই ব্যাধিৰেই কবলত পৰি নিজে নষ্ট হয়। কৃষ্ণৰ জীৱনেও তাকেই কয়।"* (হীৰেন, ২০০৩, পৃ. ৪৩১)।

কৃষ্ণৰ মৃত্যু শেষ সত্য নহয়। অৱতাৰতত্ত্বই কয় যে কৃষ্ণই যুগে যুগে পৃথক ৰূপেৰে জন্ম লৈছে। পুনৰবাৰ দুষ্কৃতিৰ পাছে-পাছে খেদা-খেদি কৰি সংস্কৃতিৰ জয় ঘোষণা কৰিছে। সেইদৰে সংস্কৃতিও যদি এবাৰ ধ্বংস হৈছে তেন্তে নিঃসন্দেহে পুনৰ প্ৰতিষ্ঠা হ'বই, এয়াহে চিৰসত্য। গীতাৰ চতুৰ্থ অধ্যায়ৰ সাত নম্বৰ শ্লোকতে আছে,

"যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰানায় সাধুনাং বিনাশায়চ দুষ্কৃতাম।
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।" (শৰ্মা, -, পৃ. ২৪)

কৃষ্ণৰ এই যুগে যুগে পুনৰ অৱতাৰতে সংস্কৃতিৰ সাৰবস্তু লুকাই আছে। ধৰ্ম স্থাপন আৰু দুষ্কৃতি নাশ--কৃষ্ণ সংস্কৃতিৰ বৈশিষ্ট্য। সংস্কৃতিৰ যে মৰণ নাই, বৰঞ্চ যুগে যুগে এই সংস্কৃতি আৰু অধিক সৱলহে হয়, সেই প্ৰমাণ কৃষ্ণৰ জীৱন কাহিনীয়ে দি থৈ গৈছে। জ্যোতিপ্ৰসাদে কৃষ্ণক সংস্কৃতিৰূপে প্ৰাণত ধাৰণ কৰিছে। জ্যোতিৰ সংস্কৃতিত কৃষ্ণ হৈছে পোহৰ, সৌন্দৰ্য, কলা, নান্দনিকতা আৰু শুভংকৰ শক্তিৰ প্ৰতীক।

**সিদ্ধান্ত বা ফলপ্ৰাপ্তি ঃ**

'ভাৰতীয় মনীষাত কৃষ্ণ আৰু জ্যোতিপ্ৰসাদৰ সংস্কৃতি চেতনা' শীৰ্ষক বিষয়টি অনুসন্ধান আৰু বিশ্লেষণেৰে উপলব্ধি কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনীত হ'ব পৰা যায়। জ্যোতিপ্ৰসাদৰ চেতনাত

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

সংস্কৃতিয়ে কৃষ্ণ সহিতে কিদৰে অভিব্যক্তি লভিছে, সেই কথাৰ সংক্ষিপ্তসূত্ৰ এইদৰে আগবঢ়াব পাৰি---
ক) জ্যোতিপ্ৰসাদে কৃষ্ণ চৰিত্ৰক ধৰ্মীয় আদৰ্শতকৈ সংস্কৃতিৰ নিদৰ্শন হিচাবেহে উপলব্ধি কৰিছে। তেখেতৰ মতে কৃষ্ণই মানৱ সংস্কৃতিৰ সৌধ নিৰ্মাণ কৰিছে। ভাৰতীয় সংস্কৃতিও এই কৃষ্ণাদৰ্শতে সমাহিত হৈছে।
খ) সংস্কৃতিয়ে সদায় নান্দনিকতাৰ কথা কয়। সংস্কৃতিয়ে মানুহক সৌন্দৰ্যচেতনা প্ৰদান কৰে। মানুহৰ মন মুহিব পৰা কৌশলেৰে সংস্কৃতি মহীয়ান। কৃষ্ণক জ্যোতিপ্ৰসাদে এই সৌন্দৰ্যবোধেৰে পৰ্যবেক্ষণ কৰিছে। কৃষ্ণৰ ভুৱনমোহন ৰূপ সংস্কৃতিৰ নান্দনিকতাৰ প্ৰতিভূ হৈ পৰিছে।
গ) জ্যোতিপ্ৰসাদৰ মতে কৃষ্ণই সংস্কৃতিৰ আলোকময় দিশটো চিহ্নিত কৰে। নিজৰ জীৱনত কৃষ্ণই হাজাৰ আন্ধাৰ নাশি পোহৰৰ সন্ধান কৰাৰ দৰেই সংস্কৃতিয়েও সদায় আলোকৰ প্ৰশস্তি কৰে।
ঘ) সংস্কৃতিয়ে মানুহক আকৰ্ষণ কৰিব পাৰে। কৃষ্ণৰ বাঁহীয়ে গোপীক মোহাছন্ন কৰাৰ দৰেই সংস্কৃতিয়েও মানুহক স্বয়ংসম্পূৰ্ণ কৰি তোলে। জ্যোতিপ্ৰসাদে সেয়ে কৃষ্ণৰ বাঁহীক সংস্কৃতিৰ মোহিনীশক্তিৰ সৈতে ৰিজাইছে।
ঙ) জ্যোতিপ্ৰসাদে সংস্কৃতিৰ পৰিৱৰ্তন আৰু ৰূপান্তৰৰ প্ৰসংগত কৃষ্ণই কুঁজীবাইক গাভৰু কৰাৰ কথা উল্লেখ কৰিছে। সংস্কৃতিৰ শুভংকৰ শক্তিয়ে অসুন্দৰকো সুন্দৰ কৰে। অৰ্থাৎ কৃষ্ণৰূপী সংস্কৃতিয়ে ৰূপান্তৰৰ মাজেৰে গতি লাভ কৰে। ৰূপান্তৰেই জগত ধুনীয়া কৰে। স্থবিৰ সংস্কৃতিয়ে মানৱ জীৱন সঞ্জীৱিত কৰিব নোৱাৰে।
চ) সংস্কৃতি ৰক্ষাৰ বাবে দুষ্কৃতিৰ বিনাশ কৰি কৃষ্ণই যুগে যুগে নিজকে প্ৰতিষ্ঠা কৰিছে। সংস্কৃতিয়ে নিজ প্ৰতিষ্ঠাৰ বাবে দুষ্কৃতিক বধিবই লাগিব, এই চিৰসত্য জ্যোতিপ্ৰসাদে কৃষ্ণৰ মাজত বিচাৰি পাইছে।
ছ) সংস্কৃতি আৰু দুষ্কৃতি একে লগতে থকা বস্তু। সংস্কৃতিৰ মাজতে দুষ্কৃতিৰ জন্ম আৰু দুষ্কৃতিৰ বিনাশতে সংস্কৃতিৰ শৌয-বীৰ্য প্ৰতিষ্ঠিত হয়। জ্যোতিপ্ৰসাদে কৃষ্ণ আৰু কংস দুই পৃথক সত্ত্বা একে বংশতে জন্ম হোৱাৰ কথাৰে এই উপলব্ধি প্ৰকাশ কৰিছে।
জ) জ্যোতিপ্ৰসাদৰ মতে দুষ্কৃতিক সংস্কৃতিয়েহে শেষ কৰিব পাৰে। দুষ্কৃতি নাশিবলৈ নিজেই যদি দুষ্কৃতিৰে ব্যধিগ্ৰস্ত হয় তেন্তে সংস্কৃতিৰ পতন ঘটে। কৃষ্ণৰ মৃত্যুৰ প্ৰসংগেৰে জ্যোতিপ্ৰসাদে উপলব্ধি কৰিছে যে প্ৰত্যক্ষভাৱে নহ'লেও কৃষ্ণই চল-চাতুৰিৰে কুৰুক্ষেত্ৰত নামিছে, সেয়াই সংস্কৃতিৰ ব্যাধি।
ঝ) এবাৰ পতন হ'লেও সংস্কৃতি দুনাই ঠন ধৰি উঠে। সংস্কৃতিৰ মৰণ নাই। ই একঅন্তহীন চক্ৰ। জ্যোতিপ্ৰসাদে কৃষ্ণই যুগে যুগে অৱতাৰ ধৰাৰ প্ৰসংগেৰে এই সত্য উন্মোচন কৰিছে।

**উপসংহাৰ ঃ**

জ্যোতিপ্ৰসাদৰ চেতনাত কৃষ্ণ গভীৰলৈকে সোমাই আছে। জ্যোতিপ্ৰসাদে কৃষ্ণক ধৰ্মকাহিনীৰে সাধৰণভাৱে বিশ্লেষণ কৰা নাই, কৃষ্ণক সৌন্দৰ্যতত্ত্বৰ দৃষ্টিৰে চাইছে, অধ্যয়ন কৰিছে। তেখেতৰ জীৱন সংস্কৃতিৰ বুকুতে সমাহিত হৈ আছিল। অসমৰ সমাজ আৰু সংস্কৃতিক নেতৃত্ব দিয়া জ্যোতিপ্ৰসাদ নিজেই এক সংস্কৃতি। এই সংস্কৃতি চেতনাত ভাৰতীয় আদৰ্শৰ কৃষ্ণই সাংঘাটিক ধৰণেৰে ক্ৰিয়া কৰিছে। জ্যোতিৰ মতে কৃষ্ণই সংস্কৃতিৰ বুনিয়াদ সাজিছে, সংস্কৃতিক মানুহৰ মনত প্ৰতিষ্ঠা কৰিছে। তেখেতৰ বাবে কৃষ্ণসংস্কৃতি সুন্দৰৰ সংস্কৃতি। সেইবাবেই হয়তো জ্যোতিপ্ৰসাদৰ প্ৰায় আটাইবোৰ সাহিত্যতে সৌন্দৰ্যৰ প্ৰতি সচেতন দৃষ্টি পৰিলক্ষিত হয়। সংস্কৃতিৰ জৰিয়তেই সমাজখন সুন্দৰ কৰাটো জ্যোতিপ্ৰসাদৰ লক্ষ্য হৈ পৰিছিল।

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

অসমীয়া প্ৰথমখন বোলছবি নিৰ্মাণৰ আঁৰতো আছিল সংস্কৃতি প্ৰতিষ্ঠা। গীত-কবিতা-নাটক এই আটাইবোৰতে জ্যোতিপ্ৰসাদে সংস্কৃতিৰ অমিয়া মণি সাঁচি ৰাখিছে। কৃষ্ণই যিদৰে সমগ্ৰ মানৱ সভ্যতাৰ সাংস্কৃতিক সত্ত্বাক জগাই তুলিছে, সেই একেই শুভংকৰ কৃষ্ণকে জ্যোতিপ্ৰসাদে প্ৰাণত ধাৰণ কৰি সংস্কৃতি আৰু সৌন্দৰ্যক একেডাল সূতাৰে বান্ধিছে, নিজেও সংস্কৃতি প্ৰতিষ্ঠাৰ বাবে শিল্প-কলাৰ সাধনা কৰিছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১. কুমাৰ, ধৰ্মেন্দ্ৰ (২০০০). *শ্ৰীমদ্ভাগৱতগীতা*, দিল্লী সংস্কৃত অকাদেমি, প্ৰথম সংস্কৰণ।
২. গোহাঁই, হীৰেন (২০০৩). *জ্যোতিপ্ৰসাদ ৰচনাৱলী*, অসম প্ৰকাশন পৰিষদ, পৰিমাৰ্জিত আৰু পৰিবৰ্ধিত ষষ্ঠ সংস্কৰণ-ডিচেম্বৰ।
৩. মহন্ত, অৰুন্ধতী (২০২২). *কৃষ্ণৰ ক্ৰমবিকাশ আৰু অসমীয়া সাহিত্য*, কিঞ্জলিক প্ৰকাশন, দ্বিতীয় প্ৰকাশ।
৪. শৰ্মা, শ্ৰীমহাদেৱ (-). *কথা-মহাভাৰত*, পাব্লিকেচন বৰ্ড, অসম, গুৱাহাটী।

********